# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - -

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাৰ্যকৰী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেন্দ্ৰত এখন নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

এন ডি এ মিত্ৰজোঁটৰ পৰা প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতিক সাক্ষাতৰ পাছত ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে, এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে লগতে ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে বুলি অৱগত কৰে। ইতিমধ্যে ৰাষ্ট্ৰপতি ভৱনৰ তৰফৰ পৰা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংবিধানৰ ৭৫ (১) অনুচ্ছেদৰ অধীনৰ ক্ষমতা প্ৰয়োগ কৰি শ্ৰীমোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি দিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে।

উল্লেখযোগ্য প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমাসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জু, চিচিলিচৰ উপ-ৰাষ্ট্ৰপতি আহমেদ আফিফ, মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীণ্ড কুমাৰ যুগনাথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল আৰু ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং তব্‌গেই ৰাষ্ট্ৰপতি ভৱনৰ আমন্ত্ৰণ গ্ৰহণ কৰিছে। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

ooooo

ডিব্ৰুগড় জিলাৰ আয়ুক্তৰ নিৰ্দেশমৰ্মে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ এটা অভিযানকাৰী দলে লাহোৱাল আৰক্ষীৰ সহযোগত চলোৱা এটা অভিযানত অবৈধভাৱে মজুত ৰখা ৫০টা খালী চিলিণ্ডাৰ জব্দ কৰে। অভিযুক্ত ৰবীন্দ্ৰ গুপ্তাৰ ঘৰৰ পৰা জব্দ কৰা চিলিণ্ডাৰ কেইটাৰ ৪৪টা ঘৰুৱা ব্যৱহাৰ উপযোগী চিলিণ্ডাৰ হোৱাৰ বিপৰীতে ৬টা বাণিজ্যিক চিলিণ্ডাৰ। শ্ৰীগুপ্তাই অভিযানকাৰী দলটোক এল পি জি ব্যৱহাৰ সংক্ৰান্তিয় প্ৰাসংগিক নথি দাখিল কৰাত ব্যৰ্থ হয়। তেওঁ লগতে বিগত কেইবছৰমানৰ পৰা অবৈধ চিলিণ্ডাৰৰ সৈতে জড়িত হৈ থকাৰ

কথা আৰক্ষীৰ আগত লিখিতভাৱে স্বীকাৰ কৰে। ইয়াৰ ভিত্তিত লাহোৱাল আৰক্ষীয়ে পৰৱৰ্তী অনুসন্ধানৰ বাবে ৰবীন্দ্ৰ গুপ্তাক আটক কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ আয়ুক্তই আজি জিলাখনৰ খ্ৰীষ্টধৰ্মীসকলৰ কাৰণে নিৰ্দিষ্ট সমাধিস্থলীত উপস্থিত হৈ সমাধিক্ষেত্ৰত চলি থকা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে খ্ৰীষ্টধৰ্মীসকলৰ সমাধিস্থলীৰ উন্নয়নৰ কাৰণে গঠন কৰা উপদেষ্টা সমিতিৰ সৈতে মে' মাহত অনুষ্ঠিত হোৱা আলোচনাৰ সিদ্ধান্তমৰ্মে আজি এই পৰ্যালোচনা সভাখন আহ্বান কৰা হয়। সভাত জিলা পৰিষদ, লোকনিৰ্মাণ বিভাগৰ বিভিন্ন বিষয়ববীয়া আৰু জিলা উন্নয়ন আয়ুক্তকে ধৰি অভিযন্তা তথা কাৰ্যকৰী সদস্যসকল উপস্থিত থাকে। উল্লেখযোগ্য যে অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ দ্বাৰা ৪ বিঘাতকৈ অধিক ভূমিজোৰা এই সমাধিস্থলীৰ উন্নয়নৰ কাম-কাজ লোক নিৰ্মাণ বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ তত্বাৱধানত চলি আছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে যোগ সাধনাৰ ইতিবাচক দিশ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচীৰ প্ৰস্তুতি চলাইছে। কালি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজু আৰু আয়ুস বৈদ্য ৰাজেশ কোটেশাই এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা কাৰ্যসূচীসমূহ পৰ্যবেক্ষণ কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনে যোগ বিশেষজ্ঞৰ সাক্ষাৎকাৰ আৰু কেতবোৰ প্ৰাতঃ অনুষ্ঠানৰ  পোনপটীয়া প্ৰচাৰ কৰা হ'ব।

ooooo

ৰে'লৱে আৰক্ষীয়ে আজি গুৱাহাটী ৰে'লৱে ষ্টেচনত অভিযান চলাই বুজন পৰিমাণৰ ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। নিউ তিনিচুকীয়া-বেংগালুৰু এক্সপ্ৰেছত চলোৱা তালাচীত ৰে'লৱে আৰক্ষীয়ে প্ৰায় ৪৪ কিলোগ্ৰাম ভাং জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে কেৰালাৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুযায়ী লোকদুজনে নিচাযুক্ত দ্ৰব্যখিনি গুৱাহাটীৰ পৰা বেংগালুৰুলৈ নিয়াৰ প্ৰচেষ্টা চলাইছিল।

ইফালে কাৰ্বি আংলং জিলাতো জিলা আৰক্ষীয়ে অভিযান চলাই লাহৰিজানত এখন বাহনৰ পৰা ৮৪৫ গ্ৰামৰো অধিক হেৰ'ইন জব্দ কৰাৰ লগতে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। গোপন সূত্ৰ পম খেদি চলোৱা অভিযানত আৰক্ষীয়ে বাহনখনৰ গোপন চেম্বাৰত লুকুৱাই অনা হেৰ'ইনখিনি জব্দ কৰিবলৈ সমৰ্থ হয়। জব্দকৃত হেৰ'ইনখিনি মণিপুৰৰ পৰা গুৱাহাটীলৈ আনিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বজাত ইয়াৰ মূল্য প্ৰায় ২ কোটি টকা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

মৰিগাঁৱতো মৰিগাঁও আৰক্ষীয়ে চলোৱা বিশেষ অভিযানত বৰামাৰাৰ পৰা নিচাযুক্ত দ্ৰব্যসহ দুটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। সৰবৰাহকাৰী দুটাই ২২টাকৈ মাদক দ্ৰব্য ভৰ্তি কণ্টেইনাৰ কাপোৰৰ বেগৰ মাজত ভৰাই গুৱাহাটীলৈ সৰবৰাহ কৰাৰ চেষ্টা চলাইছিল।

তিনিচুকীয়াতো কাকপথাৰ-ডিৰাক আমগুৰিত চলোৱা অভিযানত আৰক্ষীয়ে হেৰ'ইনসহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰিবলৈ সমৰ্থ হৈছে।

ইফালে গোলাঘাটতো এৰেঙাপাৰাত আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যসহ ৪টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

ooooo

ধেমাজী জিলাত এনকেফেলাইটিছ, ডেংগী আৰু মেলেৰীয়া ৰোগৰ সংক্ৰমন প্ৰতিৰোধৰ বাবে জিলাখনৰ স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিবছৰে বাৰিষাৰ সময়ছোৱাত বৃদ্ধি পোৱা এই ৰোগৰ ফলত জিলাখনত কেইবাজনো লোকে প্ৰাণ হেৰুৱাবলগীয়া পৰিস্থিতি ৰোধ কৰাৰ বাবে স্বাস্থ্য বিভাগে এই ব্যৱস্থা লৈছে।

ooooo

সমাপ্ত